জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২২৭/২০২০

## ৰাজ্যৰ কৃষিখণ্ডৰ স্বাৱলম্বিতাৰ দিশত গুৰুত্বপূৰ্ণ চালিকা শক্তিৰ ভূমিকা পালন কৰিবলৈ অইলক আহ্বান মুখ্যমন্ত্ৰীৰ

## লক্-ডাউনৰ সময়ত চাহ উদ্যোগে সন্মুখীন হোৱা লোকচানৰ প্ৰতি লক্ষ্য ৰাখি চাহ বাগানসমূহে গেছ ব্যৱহাৰৰ বিনিময়ত আদায় দিবলগীয়া ন্যূনতম চাহিদা নিৰিখ ৰেহাই দিবলৈ অসম গেছ কোম্পানীক নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ৩০ এপ্ৰিল ঃ** ৰাজ্যৰ কৃষিখণ্ডৰ স্বাৱলম্বিতাৰ দিশত এক গুৰুত্বপূৰ্ণ চালিকা শক্তিৰ ভূমিকা পালন কৰিবলৈ আজি অইল কৰ্তৃপক্ষক মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আহ্বান জনায়। দুলীয়াজানৰ অসম গেছ কোম্পানী লিমিটেডৰ সভাগৃহত অনুষ্ঠিত এক বৈঠকত মুখ্যমন্ত্ৰী সোণোৱালে অইলক গেছ চালিত খাদ্য সংসাধন উদ্যোগৰ লগতে শীতলীকৰণ ভৰাল সমূহৰ কাৰ্যক্ষমতা বৃদ্ধি কৰাৰ দিশত যাৱতীয় পদক্ষেপ লোৱাৰ উপৰি কৃষিখণ্ডৰ উৎপাদন, ক্ৰয় আৰু বজাৰ ব্যৱস্থা টনকিয়াল কৰাৰ দিশতো গ্ৰহণ কৰিব পৰা ভূমিকা সম্পৰ্কে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। আনহাতে, এই সভাতে মুখ্যমন্ত্ৰী সোণোৱালে লক্-ডাউনৰ সময়ছোৱাত চাহ উদ্যোগে সন্মুখীন হোৱা লোকচানৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যৰ ৪০৯ খন চাহ বাগানে অসম গেছ কোম্পানী লিমিটেডৰ পৰা গেছ ক্ৰয় কৰাৰ বিনিময়ত চুক্তিমৰ্মে আদায় দিবলগীয়া ন্যূনতম চাহিদা নিৰিখ ৰেহাই দিবলৈ নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে সাম্প্ৰতিক ন'ভেল কৰ'না ভাইৰাছ সংক্ৰমণৰ ফলস্বৰূপে সমগ্ৰ দেশৰ আৰ্থ-সামাজিক দিশত যথেষ্ট বিৰূপ প্ৰভাৱ পৰিছে আৰু অসমো এই ক্ষেত্ৰত ব্যতিক্ৰম নহয়। মুখ্যমন্ত্ৰীয়ে কয় যে যিদৰে সকলো প্ৰত্যাহ্বানৰ মাজত সম্ভাৱনা লুকাই থাকে সেইদৰে এই জটিল সন্ধিক্ষণেও ৰাজ্যখনৰ শক্তি-সামৰ্থ সম্পৰ্কে বহু নতুন দিশৰ সম্ভেদ দিছে। আহিবলগীয়া দিনসমূহত ৰাজ্যৰ অন্তৰ্নিহিত এই শক্তিক উপযুক্তভাৱে কামত খটুওৱাৰ বাবে এখন ৰোড মেপ অসম চৰকাৰে প্ৰস্তুত কৰাৰ পদক্ষেপ লৈছে বুলি মুখ্যমন্ত্ৰী সোণোৱালে কয়। ইয়াৰ অংশ হিচাপে কৃষিখণ্ডতো অধিক সৰলীকৰণ কৰি ৰাজ্যৰ কৃষকসকলক কেনেদৰে আৰ্থিকভাৱে স্বাৱলম্বী কৰি তুলিব পৰা যায় তাৰ বাবে অসম চৰকাৰে বিশেষভাৱে গুৰুত্ব প্ৰদান কৰিছে। এই ক্ষেত্ৰত অইলে খাদ্য সংসাধনকে ধৰি কৃষি ভিত্তিক বহু উদ্যোগ পৰিচালনাৰ বাবে প্ৰয়োজনীয় গেছ যোগান ধৰি কৃষি অৰ্থনীতি টনকিয়াল কৰাৰ দিশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগিব বুলি মুখ্যমন্ত্ৰী সোণোৱালে কয়। মুখ্যমন্ত্ৰী সোণোৱালে লগতে অইল কৰ্তৃপক্ষক গেছৰ উৎপাদন সৰ্বোচ্চ পৰ্যায়ত বৃদ্ধি কৰাৰ বাবে যাৱতীয় পদক্ষেপ ল'বলৈ আহ্বান জনায়।

সভাত অসম গেছ কোম্পানী লিমিটেডৰ অধ্যক্ষ তথা শদিয়া সমষ্টিৰ বিধায়ক বলীন চেতিয়াই মুখ্যমন্ত্ৰী সোণোৱালক অৱগত কৰে যে বিগত ৩০ বছৰত কোম্পানীটোৱে ৰন্ধন গেছৰ ৩৫ হাজাৰ ঘৰুৱা গেছ সংযোগ প্ৰদান কৰিছে আৰু অনাগত ৩ বছৰত ২ লাখলৈ উপভোক্তাৰ সংখ্যা বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্দ্ধাৰণ কৰিছে। ইয়াৰ উপৰি ৰাজ্যখনত ১০০ টা চি এন জি ষ্টেচন স্থাপনৰ বাবেও কোম্পানীটোৱে পদক্ষেপ লৈছে বুলি অধ্যক্ষ চেতিয়াই মুখ্যমন্ত্ৰী সোণোৱালক অৱগত কৰে।

**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

ৰাজ্যৰ খাদ্য সংসাধনকে ধৰি শক্তিখণ্ডৰ বহু উদ্যোগ পৰিচালনাৰ ক্ষেত্ৰত গেছৰ চাহিদাৰ গুৰুত্বৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে গেছ বিতৰণ কোম্পানী হিচাপে এজিচিএলে গ্ৰহণ কৰিব পৰা ভূমিকাৰ ওপৰত আলোকপাত কৰে। ৰাজ্যখনৰ চাহ উদ্যোগসমূহ পৰিচালনাৰ ক্ষেত্ৰত গেছৰ এক উল্লেখ্যযোগ্য ভূমিকা আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে সাম্প্ৰতিক কৰ'না ভাইৰাছৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ চাহ উদ্যোগ যথেষ্ট ক্ষতিগ্ৰস্ত হৈছে। সেয়েহে, এই উদ্যোগক সকাহ দিয়াৰ লক্ষ্যৰে ৰাজ্যৰ যি ৪০৯ খন চাহ বাগানত কোম্পানীটোৱে গেছ যোগান ধৰে সেই বাগানসমূহে আদায় দিবলগীয়া গেছ বিলৰ ন্যূনতম চাহিদা নিৰিখ ৰেহাই দিবলৈ কোম্পানীটোক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। আনহাতে, ৰাজ্যৰ বহু অঞ্চলত গেছৰ উৎপাদন অনুপাতে চাহিদা নথকাৰ পৰিপ্ৰেক্ষিতত চাহিদা আৰু যোগানৰ মাজত ভাৰসাম্যতা বৰ্তাই ৰখাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী সোণোৱালে অসম গেছ কোম্পানী লিমিটেডক যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিবলৈও নিৰ্দেশ দিয়ে।

এই সভাত বিধায়কসকল ক্ৰমে বিমল বৰা, তেৰচ গোৱালা, নৰেন সোণোৱাল, ঋতুপৰ্ণ বৰুৱা, ডিব্ৰুগড় জিলাৰ উপায়ুক্ত পল্লৱ গোপাল ঝা, আৰক্ষী অধীক্ষক টি শ্ৰীজিথ, অইলৰ আঞ্চলিক মুখ্য কাৰ্যবাহী দিলীপ কুমাৰ দাস, অসম গেছ কোম্পানী লিমিটেডৰ উপাধ্যক্ষ ইন্দ্ৰ কুমাৰ গগৈ, পৰিচালন সঞ্চালক গকুল চন্দ্ৰ স্বৰ্গীয়াৰী প্ৰমুখ্যে কেইবাগৰাকীও উচ্চপদস্থ বিষয়া উপস্থিত থাকে।

এই সভাতে অসম গেছ কোম্পানী লিমিটেডৰ কৰ্মচাৰীসকলৰ দুদিনৰ দৰমহাৰ সংগৃহীত মুঠ ধনৰাশি ১৭.৪৯ লাখ টকাৰ চেক মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ কোম্পানীটোৰ অধ্যক্ষ বলীন চেতিয়াই মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ হাতত অৰ্পণ কৰে। তদুপৰি, এই সভাতে দুলীয়াজান-নুমলীগড় পাইপলাইন কৰ্তৃপক্ষই কোম্পানীটোৰ তৰফৰ পৰা ৭৫ হাজাৰ টকাৰ চেক মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ আগবঢ়ায়।

**সুঃমিঃকঃ / বীঃগঃ / বঃভাঃ / পুঃডেঃ**
**৩০/৪/২০২০**